

দেশ-জাতিৰ স্বাৰ্থত উৎসৰ্গিত

# দৈনিক প্ৰতিক্ষণ

RNI No. : ASSASS/2007/22576
Postal Regn. No. G-1/RN/DR-458/2009-2011

**PRATIKSHAN**

ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

Email : pratikshannews@gmail.com DIBRUGARH

অসমৰ একমাত্ৰ সান্ধ্য বাতৰি | ডিব্ৰুগড়, সপ্তদশ বছৰ ▫ সংখ্যা ১ | ▫ ২৪ এপ্ৰিল, সোমবাৰ ▫ ১০ ব'হাগ, ১৯৪৫ শক, APR 24, 2023



## সদৌ অসম মহিলা গ্ৰন্থাগাৰিকৰ সন্মিলন সম্পন্ন



ষ্টাফ ৰিপ'ৰ্টাৰ ঃ সদৌ অসম মহিলা গ্ৰন্থাগাৰিক সংস্থাৰ উদ্যোগত ২২ এপ্ৰিল, ২০২৩ তাৰিখে ডিব্ৰুগড়ৰ ডিব্ৰু মহাবিদ্যালয়ত প্ৰথমবাৰৰ বাবে সদৌ অসম মহিলা গ্ৰন্থাগাৰিক (দুই পৃষ্ঠাত)

## সদৌ অসম মহিলা গ্ৰন্থাগাৰিকৰ সন্মিলন সম্পন্ন

সংস্থা সন্মিলন অনুষ্ঠিত হয়। অনুষ্ঠানত অসমত গ্ৰন্থাগাৰ বিজ্ঞানৰ উন্নয়নৰ গুৰি ধৰোতা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা অলকা বুঢ়াগোহাঁই, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড. ভীমকান্ত বৰুৱা, ডিব্ৰু মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ চন্দনা গগৈ, সদৌ অসম মহিলা গ্ৰন্থাগাৰিক সংস্থাৰ সভানেত্ৰী ডঃ জ্যোতিকা দেৱী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰৰ অৱসৰপ্ৰাপ্ত সহকাৰী গ্ৰন্থাগাৰিক ড. বীনা লহকৰকে প্ৰমুখ্য কৰি গ্ৰন্থাগাৰ আৰু শিক্ষাৰ লগত জড়িত অসমৰ আগশাৰীৰ বিভিন্ন ব্যক্তি সন্মিলনখনত উপস্থিত থাকে। নিজৰ ভাষণত প্ৰফেছৰ এমেৰিটাছ অধ্যাপক ভীমকান্ত বৰুৱাদেৱে অসমৰ বিভিন্ন অঞ্চলত উপলব্ধ সাঁচিপাত সমৃদ্ধ ভৱিষ্যত প্ৰজন্মৰ বাবে সংৰক্ষণত গ্ৰন্থাগাৰিক সকলক আগভাগ ল'বলৈ অনুৰোধ কৰে। আই.এ.এছ.এল.আই.চিৰ সভাপতি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক নৰেন্দ্ৰ লহকৰে অনুষ্ঠানটিৰ মূল ভাষণ প্ৰদান কৰি কয় যে সমাজৰ উন্নয়নত গ্ৰন্থাগাৰিক সকলৰ দায়িত্ব আৰু কৰণীয় সম্পৰ্কে বৰ্ণনা কৰে। শিক্ষা আৰু গৱেষণাক প্ৰভাৱিত কৰিব পৰা বিভিন্ন দিশসমূহ সামৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড. বদন বৰ্মনে অনুষ্ঠানটিত এক বিশেষ বক্তৃতা ৰাখে। সদৌ অসম মহিলা গ্ৰন্থাগাৰিক সংস্থাৰ সাধাৰণ সম্পাদিকা ডঃ কল্পনা বৈশ্যই সদৌ অসম মহিলা গ্ৰন্থাগাৰিক সংস্থাৰ বৰ্তমানৰ স্থিতি আৰু ভৱিষ্যত পৰিকল্পনাৰ বিষয়ে এক ধুনামুনা আভাস দিয়ে। উক্ত অনুষ্ঠানটিত তিনিচুকীয়া ছোৱালী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত গ্ৰন্থাগাৰিক শ্ৰীমতী ছায়া সূত্ৰধাৰক গ্ৰন্থাগাৰ বিজ্ঞানৰ দিশত তেখেতৰ জীৱনযোৰা অৱদানৰ বাবে [illegible] নৰ্মৰ কুশান্তি দাস স্মাৰক সাধনা বটা প্ৰদান কৰে। সমাজৰ বিকাশত শিক্ষা আৰু গৱেষণাৰ প্ৰয়োজনীয়তাক বিষদভাৱে আলোচনা কৰা আৰু অসমৰ ইতিহাসত গ্ৰন্থাগাৰ বিজ্ঞানৰ লগত জড়িত ব্যক্তি সকলৰ অৱদানক স্মৰণ কৰি অনুষ্ঠিত কৰা এই সন্মিলনখনত অসমৰ বিভিন্ন অঞ্চলৰ পৰা অহা প্ৰায় এশ গৰাকী গ্ৰন্থাগাৰিক, শিক্ষাবিদ, গৱেষক, শিক্ষাৰ্থী উপস্থিত থাকে। দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত সন্মিলনখনত 'প্ৰজ্ঞানন' নামৰ নতুন গ্ৰন্থ উন্মোচন কৰে। ডিব্ৰু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক দীপিকা দাসে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটিত এক আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়।